# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 02-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। আজি লোকসভাত ৱাকফ সংশোধনী বিধেয়ক ২০২৪ বিবেচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হ'ব।

২। ম্যানমাৰত হোৱা ভূমিকম্পৰ দুৰ্গতসকলৰ সন্ধান-উদ্ধাৰ আৰু চিকিৎসা সম্বন্ধীয় সাহায্যৰ বাবে ভাৰতে অপাৰেচন ব্ৰহ্ম আৰম্ভ কৰিছে।

৩। দুহেজাৰ টকীয়া নোটসমূহৰ ৯৮ দশমিক ২-১ শতাংশ ইতিমধ্যে বেংকলৈ উভতি অহা বুলি ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰকাশ কৰিছে।

৪। ভাৰতত ২০২৪-২৫ বৰ্ষত দত্তক গ্ৰহণৰ সংখ্যাই ১২ বৰ্ষৰ অভিলেখ ভংগ কৰিছে।

*আৰু*

৫। আই পি এল টি ২০ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি পাঞ্জাব কিংছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০

আজি লোকসভাত ৱাকফ সংশোধনী বিধেয়ক ২০২৪ বিবেচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে প্ৰকাশ কৰিছে যে, বিধেয়কখন সন্দৰ্ভত আলোচনাৰ বাবে ৮ ঘণ্টা সময় নিৰ্ধাৰণ কৰা হৈছে। সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত শ্ৰী ৰিজিজুৱে কয়, যে প্ৰয়োজনত এই সময় বৃদ্ধি কৰা হ'ব পাৰে। বিধেয়কখন সন্দৰ্ভত সকলো প্ৰশ্নৰ উত্তৰ দিবলৈ চৰকাৰ সাজু থকা বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰী ৰিজিজুৱে তুষ্টিকৰণৰ ৰাজনীতিৰ বাবে বিৰোধীয়ে বিধেয়কখনৰ বিৰোধীতা কৰা বুলি অভিযোগ উত্থাপন কৰে।

ইপিনে, ভাৰতীয় জনতাপাৰ্টী আৰু সংযুক্ত গণতান্ত্ৰিক মৰ্চাৰ অংশীদাৰ জেডিইউ তথা তেলেগুদেশম পাৰ্টীয়ে দলৰ সকলো সাংসদক আজি লোকসভাত উপস্থিত থাকিবলৈ হুইপ জাৰি কৰিছে। কংগ্ৰেছ দলেও নিজৰ সাংসদসকললৈ হুইপ জাৰি কৰিছে। কালি ৱাকফ সংশোধনী বিধেয়ক সন্দৰ্ভত আলোচনাৰ বাবে নতুন দিল্লীত আই-এন-ডি-আই মিত্ৰজোঁটৰ শীৰ্ষ নেতৃত্ব বিশেষ আলোচনাত মিলিত হয়। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা মল্লিকাৰ্জুন খাৰ্গে আৰু ৰাহুল গান্ধী, সমাজবাদী পাৰ্টীৰ ৰাম গোপাল যাদৱ, তৃণমূল কংগ্ৰেছৰ কল্যাণ বেনাৰ্জী, ডিএমকেৰ টি আৰ বালু, আম আদমী পাৰ্টীৰ সঞ্জয় সিঙৰ লগতে অন্যান্য নেতাসকল বৈঠকখনত উপস্থিত থাকে।

উল্লেখযোগ্য যে, ২০২৪ বৰ্ষৰ আগষ্টত লোকসভাত বিধেয়কখন অনাৰ পাছত বিজেপি সাংসদ জগদম্বিকা পালৰ অধ্যক্ষতাত এখন সংযুক্ত সংসদীয় সমিতি গঠন কৰি দিয়া হৈছিল। বিধেয়কখন সন্দৰ্ভত অধিক আলোচনাৰ বাবে গঠন কৰি দিয়া সমিতিখনে প্ৰায় ৯৭ লাখ পৰামৰ্শ লাভ কৰিছে।

০০০০০

ম্যানমাৰত যোৱা সপ্তাহত সংঘটিত ভয়াৱহ ভূমিকম্পত বৰ্তমানলৈ ২৭০০ৰো অধিক লোকে প্ৰাণ হেৰুওৱাইছে। কালি ম্যানমাৰৰ সামৰিক নেতা মিন আং হ্লেইঙে কয় যে নিহতৰ সংখ্যা ২৭১৯ জন হৈছেগৈ আৰু এই সংখ্যা তিনি হাজাৰৰো অধিক হোৱাৰ সম্ভাৱনা আছে। তেওঁ কয় যে ভূমিকম্পত ৪৫২১জন লোক আহত হৈছে আৰু ৪৪১জন এতিয়াও নিৰুদ্দেশ হৈ আছে। ইফালে দেশখনত উদ্ধাৰ অভিযান পূৰ্ণগতিত চলি আছে। দেশখনত সন্ধান আৰু উদ্ধাৰ অভিযান, মানৱীয় সাহায্য, দুৰ্যোগ সাহায্য আৰু চিকিৎসা সাহায্যকে ধৰি প্ৰয়োজনীয় সকলোপ্ৰকাৰৰ সহায় আগবঢ়াবলৈ ভাৰতে ইতিমধ্যে অপাৰেচন ব্ৰহ্ম আৰম্ভ কৰিছে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে, ভাৰতীয় চিকিৎসকৰ এটা দলে এতিয়ালৈকে দুটা ডাঙৰ অস্ত্ৰোপচাৰকে ধৰি প্ৰায় ১০৪ জন ৰোগীৰ চিকিৎসা কৰিছে। মন্ত্ৰালয়ে লগতে কয় যে দেশখনলৈ ১৬ টন মানৱীয় সাহায্য আৰু দুৰ্যোগ সাহায্য সামগ্ৰী কঢ়িয়াই ভাৰতীয় বায়ুসেনাৰ এখন বিমান কালি মণ্ডলে বিমানবন্দৰত উপস্থিত হয়। এই মানৱীয় সাহায্য চৰকাৰী কৰ্তৃপক্ষৰ উপস্থিতিত লেফটেনেণ্ট জেনেৰেল ম্যো ম’ আওঙৰ হাতত অৰ্পণ কৰা হয়। মন্ত্ৰালয়ে জনোৱা মতে, এন ডি আৰ এফৰ দলসমূহে অভিযান অব্যাহত ৰাখিছে আৰু ৫টা মৃতদেহ উদ্ধাৰ কৰিছে। শুকুৰবাৰে দেশখনৰ মাণ্ডালে অঞ্চলত হোৱা ভয়াৱহ ভূমিকম্পৰ ফলত ব্যাপক ক্ষতিসাধন হয়। থাইলেণ্ড, ভিয়েটনাম, লাওছ আৰু দক্ষিণ-পশ্চিম চীনতো প্ৰবল কঁপনি অনুভূত হয়।

0000ooooo

ভাৰত আৰু চিলিয়ে দুৰ্যোগ ব্যৱস্থাপনা আৰু সাংস্কৃতিক বিনিময় ক্ষেত্ৰত সহযোগিতাৰ বাবে কালি কেইবাখনো চুক্তিত স্বাক্ষৰ কৰে। দুয়োপক্ষই লগতে এণ্টাৰ্কটিকা সহযোগিতাৰ বাবে অভিপ্ৰায় পত্ৰও বিনিময় কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত চিলিৰ ৰাষ্ট্ৰপতি গেব্ৰিয়াল ব’ৰিক ফণ্টৰ সৈতে হোৱা আলোচনাৰ অন্তত এই চুক্তিকেইখন স্বাক্ষৰিত হয়।

শ্ৰীমোদীয়ে চিলিৰ ৰাষ্ট্ৰপতি গৰাকীক আদৰণি জনাবলৈ পাই অত্যন্ত আনন্দিত বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰি লগতে কয়, যে চিলি লেটিন আমেৰিকাত ভাৰতৰ গুৰুত্বপূৰ্ণ সহযোগী। তেওঁ কয়, যে দেশ দুখনৰ মাজৰ আলোচনাই অনাগত দশকত দ্বিপাক্ষিক সহযোগিতা বৃদ্ধিৰ নতুন উদ্যমৰ অন্বেষণৰ সহায় কৰিব। দুয়োখন দেশ পৰস্পৰৰ বাবে লাভদায়ক এখন সৰ্বাত্মক অৰ্থনৈতিক সহযোগিতা চুক্তি সম্পৰ্কে আলোচনা আৰম্ভ কৰিবলৈ সন্মতি প্ৰকাশ কৰা বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ভাৰত ডিজিটেল ৰাজহুৱা আন্তঃগাথনি, নৱীকৰণযোগ্য শক্তি, ৰেল, মহাকাশ আৰু অন্যান্য ক্ষেত্ৰত চিলিৰ সৈতে ইতিবাচক অভিজ্ঞতা বিনিময় কৰিবলৈ সাজু বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। চিলিৰ ৰাষ্ট্ৰপতি ব’ৰিকে দুয়োগৰাকী নেতাই স্বাস্থ্য সম্পৰ্কে আৰু চিলিক বহনসাধ্য প্ৰযুক্তি আৰু উদ্ভাৱনৰ নিৰ্ভৰযোগ্য সহযোগী হিচাপে গঢ়ি তোলাৰ আকাংক্ষাৰ বিষয়ে আলোচনা কৰা বুলি উল্লেখ কৰে।

উল্লেখযোগ্য যে, বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰেও কালি অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰি ভাৰত আৰু চিলিৰ মাজৰ সহযোগিতা সুদৃঢ় কৰাৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ বাবে শ্ৰীব'ৰিকক ভূয়শী প্ৰশংসা কৰে। কালি ৫ দিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হোৱা চিলিৰ ৰাষ্ট্ৰপতিগৰাকী ভ্ৰমণকালত আগ্ৰা, মুম্বাই আৰু বেংগালুৰুলৈ যাব।

০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰকাশ কৰিছে যে দুহেজাৰ টকীয়া নোটসমূহৰ ৯৮ দশমিক ২-১ শতাংশ ইতিমধ্যে বেংকলৈ উভতি আহিছে আৰু মাত্ৰ ছহেজাৰ ৩৬৪ কোটি টকাৰ নোট জনতাৰ হাতত মজুত আছে। ২০২৩ চনৰ ১৯ মে'ত ৰিজাৰ্ভ বেংকে দুহেজাৰ টকীয়া নোটৰ প্ৰচলন বন্ধ কৰাৰ ঘোষণা কৰিছিল। ২০২৩ চনৰ ৭ অক্টোবৰলৈ দুহেজাৰ টকীয়া নোটসমূহ জমা দিয়া বা সলনি কৰাৰ সুবিধা সকলো বেংকৰ শাখাসমূহত উপলব্ধ কৰা হৈছিল আৰু ২০২৩ চনৰ ৯ অক্টোবৰৰ পাছৰ পৰা ৰিজাৰ্ভ বেংকে দুহেজাৰ টকীয়া পুৰণি নোটসমূহ নিজাববীয়াকৈ গ্ৰহণ কৰি আহিছে। লগতে জনতাই ভাৰতীয় ডাক সেৱাৰ জৰিয়তে ৰিজাৰ্ভ বেংকলৈ পুৰণি দুহেজাৰ টকীয়া নোট প্ৰেৰণ কৰি নিজৰ বেংক একাউণ্টলৈ সেই ধনৰাশি প্ৰেৰণৰ সুবিধাও আগবঢ়াই অহা হৈছিল।

০০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে, ২০২৪-২৫ বিত্তীয় বৰ্ষত ভাৰতবৰ্ষত দত্তক গ্ৰহণৰ পৰিসংখ্যা যথেষ্ট বৃদ্ধি পাইছে। এই বিত্তীয় বৰ্ষত ৪ হাজাৰ ৫১৫ টি শিশুক দত্তক লোৱা হৈছে, যি বিগত ১২ বৰ্ষৰ সৰ্বাধিক। দ্যা চেণ্ট্ৰেল এডপচন ৰিছ'ৰ্ছ অথৰিটি চমুকৈ কাৰাই নতুনকৈ আন ৮ হাজাৰ শিশুক দত্তক গ্ৰহণৰ সুবিধা কৰি দিছে। মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰে যে, ৰাজ্য চৰকাৰসমূহৰ সৈতে মিলি দত্তক গ্ৰহণ প্ৰক্ৰিয়া অধিক সহজ কৰি তুলিবলৈ দেশত ২৪৫ টা নতুন দত্তক গ্ৰহণ সংস্থা স্থাপন কৰা হৈছে।

০০০০০

**নেপালৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিয়ে বেংককত অনুষ্ঠিত বিমষ্টেক সন্মিলনত অংশগ্ৰহণৰ বাবে কালি আনুষ্ঠানিক ভ্ৰমণসূচীৰে থাইলেণ্ডলৈ ৰাওনা হয়। যোৱা বছৰৰ জুলাই মাহত চতুৰ্থবাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত অলিৰ এইটোৱেই প্ৰথম আনুষ্ঠানিক থাইলেণ্ড ভ্ৰমণ। থাইলেণ্ডত ১ৰ পৰা ৫এপ্ৰিললৈ বিমষ্টেকৰ ষষ্ঠ শীৰ্ষ সন্মিলন অনুষ্ঠিত হৈছে। বৈদেশিক মন্ত্ৰালয়ৰ সূত্ৰই জনোৱা মতে, এই ভ্ৰমণৰ সময়ত অলি আৰু থাইলেণ্ডৰ ৰজা বাজিৰালংকৰ্ণৰ মাজত এখন সৌজন্যমূলক বৈঠক অনুষ্ঠিত হ'ব। অলিয়ে থাইলেণ্ডৰ সুপৰিচিত ব্যৱসায়ীসকলৰ সৈতে বৈঠকত মিলিত হ'ব আৰু বিমষ্টেক শীৰ্ষ সন্মিলনত ভাষণ দিয়াৰ উপৰিও এছিয়ান ইনষ্টিটিউট অৱ টেকন'লজিত এখন সভা সম্বোধন কৰিব।**

০০০০০

ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে কালি নতুন দিল্লীৰ সংসদভৱনত বিভিন্ন ৰাজনৈতিক দলৰ সাংসদসকলৰ সৈতে আলোচনাত মিলিত হয়। তেওঁলোকৰ মাজত কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশী আৰু জয়ৰাম

ৰমেশ তথা কংগ্ৰেছৰ প্ৰমোদ তিৱাৰী আৰু অন্যান্যসকল আছিল। কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডায়ে কালি শ্ৰী ধনখড়ক সাক্ষাৎ কৰে।

০০০০০

ৰাজ্যসভাই বিমান সজুলিৰ ক্ষেত্ৰত স্বাৰ্থৰ সুৰক্ষা বিধেয়ক ২০২৫ গ্ৰহণ কৰিছে। এই বিধেয়কখনৰ জৰিয়তে মোবাইল আহিলাৰ ক্ষেত্ৰত আন্তৰাষ্ট্ৰীয় স্বাৰ্থ সম্পৰ্কীয় চুক্তিক আইনী স্বীকৃতি প্ৰদান কৰিব বিচৰা হৈছে। বিধেয়কখনত চুক্তি আৰু নিয়মাৱলীৰ ব্যৱস্থাসমূহ ৰূপায়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰক নীতি নিয়ম প্ৰৱৰ্তনৰ অধিকাৰ প্ৰদান কৰাৰ দিহা কৰা হৈছে। বিধেয়কখনত অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ক চুক্তিৰ বাবে পঞ্জীয়ন প্ৰাধীকৰণ হিচাপে নিয়োজিত কৰা হৈছে। পঞ্জীয়ন প্ৰাধীকৰণক বিমানৰ পঞ্জীয়ন আৰু পঞ্জীয়ন বাতিলকৰণৰ বাবে দায়িত্ব প্ৰদান কৰা হৈছে।

০০০০০

আই পি এল টি-২০ ক্ৰিকেট প্ৰতিযোগীতাৰ এখন খেলত কালি নিশা লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েন্টছক পঞ্জাব কিংছে ৮ উইকেটত পৰাস্ত কৰে। খেলখনত স্কিপাৰ শ্ৰেয়াৰ্চ আয়াৰে ৫২ৰাণৰ বৰঙণি আগবঢাই। লক্ষ্ণৌ চুপাৰ জায়েন্টচৰ হৈ দিগভেজ সিং ৰাথীয়ে দুয়োটা উইকেট দখল কৰে। টচত জিকি খেলখনত পঞ্জাব কিংছে প্ৰথমে ফিল্ডিঙ কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰথমে বেট ধৰি লক্ষ্ণৌ ছুপাৰ জায়েন্টছে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৭১ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পঞ্জাব কিংছে ১৬অভাৰ আৰু দুটা বলত মাত্ৰ দুটা উইকেট হেৰুওৱাই লক্ষ্য অতিক্ৰম কৰিবলৈ সমৰ্থ হয়। এই জয়লাভেৰে পঞ্জাব কিংছে পইন্ট তালিকাত চাৰি পইন্টেৰে দ্বিতীয় স্থানলৈ আৰোহণ কৰে। ইফালে দুই পইন্টেৰে লক্ষ্ণৌ চুপাৰ জায়েন্টছ তালিকাৰ ষষ্ঠ স্থানত আছে। লক্ষ্ণৌয়ে ইয়াৰ পূৰ্বৰ এখন খেলত ৫ উইকেটত চানৰাইজাৰ্চ হায়দৰাবাদৰ বিৰুদ্ধে জয়লাভ কৰিছিল যদিও আন এখন খেলত ডেহলী কেপিটেলছৰ হাতত পৰাস্ত হৈছিল। আজি বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত ৰয়েল চেলেঞ্জাৰছ বাংগালুৰু গুজৰাট টাইটানছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত